জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...ীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ৩২৪ ● মঙলবাৰ ● ১৮ শাওণ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday August 4, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা প্ৰ...

সাহস হৈ পাৰিছে। আনকি এনে ভয়ানক বানৰ বিভীষিকাত ইখনৰ পাছত সিখন গাঁও নিশ্চিহ্ন হোৱাত দুৰ্গতসকলৰ কাষত তাৎক্ষণিকভাৱে থিয় দি উজনিৰ জিলাকেইখনৰ পৰিস্থিতি বুজ লোৱাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজেই দিশহাৰা হৈ পৰা পৰিয়ালসমূহৰ কাষত থিয় দিছে। বেচৰকাৰী বিভিন্ন সংস্থা, সংগঠনৰ লগতে চৰকাৰীভাৱে বান সাহায্য হিচাপে খাদ্য সামগ্ৰী, বস্ত্ৰ আদি বিতৰণ অব্যাহত থকাৰ মাজতে মুখ্যমন্ত্ৰীৰ বিশেষ উদ্যোগত 'অৰুণোদয়' আঁচনিৰ ধন মুকলি কৰি দিয়াত ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে উজনিৰ বান দুৰ্গত মহিলাৰ বাবেও সাময়িক সকাহ হৈ পৰিছে। কিন্তু যি সময়ত মুখ্যমন্ত্ৰীয়ে বিধ্বংসী বানৰ ১৩ *পিঠিলৈ*

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বিভিন্ন প্ৰতিষ্ঠানৰ অনুদান

**ডিব্ৰুগড় ঃ** ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ আগষ্ট ঃ ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত ডি এইচ এছ কানৈ মহাবিদ্যালয়ে (স্বায়ত্তশাসিত) অসমৰ সাম্প্ৰতিক প্ৰলয়ংকৰী বানপানীৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ পুঁজিৰ পৰা ২ লাখ টকা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়ায়। এই উপলক্ষে ২ আগষ্টৰ নিশা ১৩ *পিঠিলৈ*

ভূমি-ৰাজহ বিনিময় বিধেয়ক ২০২৬

## কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ বিৰোধিতা

**নলবাৰী ঃ** নিজা প্ৰতিবেদক, ৩ আগষ্ট ঃ অসম চৰকাৰে যোৱা বাজেট অধিৱেশনত গৃহীত কৰা 'অসম ভূমি আৰু ৰাজহ বিনিময় (সংশোধনী) বিধেয়ক, ২০২৬'-ৰ তীব্ৰ বিৰোধিতা কৰিছে কলিতা আলপাইন জনগোষ্ঠী সন্মিলনে। কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ডাঃ পবিন্দ্ৰ নাথ তালুকদাৰ

# দৈনিক জনমভূমি

নিচুকীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ৩২৪ ● মঙলবাৰ ● ১৮ শাওণ ● ১৯৪৮ শক ● DAINIK JANAMBHUMI ● Tinsukia ●

ঘটাৰ পিছতো স্থায়ী সমাধানৰ বাবে ফলপ্ৰসূ ব্যৱস্থা
স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰি আহিছে।
ঙ্কাৰ কৰা, পানী নিষ্কাশনৰ স্থায়ী ব্যৱস্থা গঢ়ি তোলা
বানমুক্ত কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়াৰ দাবী
পাছত অইল ইণ্ডিয়া লিমিটেডে পৰিস্থিতি নিয়ন্ত্ৰণৰ
ালয় চৌহদত জমা হোৱা পানী নিষ্কাশনৰ বাবে
 পানী সিঁচা পাম্প ব্যৱহাৰ কৰে। পাম্পৰ জৰিয়তে
 পৰিস্থিতি স্বাভাৱিক কৰাৰ চেষ্টা অব্যাহত ৰাখিছে।
তিৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ বিজ্ঞানসন্মতভাৱে
 লগতে চিকিৎসালয়খন বানমুক্ত কৰাৰ বাবে স্থায়ী
হণ কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

## ...জাগুনত ড্ৰাগছ্‌সহ...

এম খোৱা পানী যোগান কেন্দ্ৰৰ সন্মুখত স্কুটীত
কৰিবলৈ আহি আৰক্ষীৰ জালত পৰে দুই হেৰ'ইন
 তালাচী চলাই স্কুটীৰ ডিকিত ক'লা পলিথিনত
ষ্টিকৰ কণ্টেইনাৰ উদ্ধাৰ কৰে। জব্দ কৰা সামগ্ৰীৰ
ন আৰু AS-07-AA-9654 নম্বৰ এখন
ৰে। আটকাধীন দুই সৰবৰাহকাৰী ক্ৰমে লখিমপুৰ
য়াৰ অনিল কুটুম (২২) আৰু হাৰমতীৰ ৰাজেন
 আৰক্ষীয়ে। দুয়োকে এন ডি পি এছ আইনৰ
ধিক তদন্ত আৰম্ভ কৰা হৈছে। **লেখাপানীৰ নিজা**
লাৰ অসম-অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী জাগুনৰ
ানী থানা আৰু জাগুন আৰক্ষী চকীৰ আৰক্ষীৰ
 চলায়। মাৰ্ঘেৰিটা মহকুমাৰ অন্তৰ্গত আৰক্ষীৰ
াৱা এই আকস্মিক অভিযানটোত মাৰণাস্ত্ৰ আৰু
কক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ
ত মাৰণাস্ত্ৰ আৰু ড্ৰাগছ সহিতে আটক হোৱা
প্ৰদেশৰ চাংলাং জিলাৰ নামপঙৰ নিবাসী নাটং
সমলৈ নিষিদ্ধ ড্ৰাগছ সৰবৰাহ কৰাৰ উদ্দেশ্যে
আৰু ড্ৰাগছ সহিতে আজি হাতে-লোটে আৰক্ষীৰ
নাটং কামচাৰ জিম্মাৰ পৰা ইটালিত নিৰ্মিত এটা
ৰ জাঁই সজীৱ গুলী, চাৰিটা নিষিদ্ধ ড্ৰাগছ ভৰ্তি
বাইল ফ'ন আৰক্ষীয়ে জব্দ কৰে। জব্দ কৰা ৪৯
লি সন্দেহ কৰা হৈছে। ধৃত লোকজনে জব্দকৃত
পৰা অনা বুলি জানিবলৈ দিয়ে। আৰক্ষীৰ আজিৰ
ৰছিল তিনিচুকীয়া জিলাৰ ডি এছ পি ফায়েজ
 নগা উগ্ৰপন্থী সংগঠন এন এছ চি এনৰ সৈতে
ছে।

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ...

মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি এই অনুদানৰ চে'ক আনুষ্ঠানিকভাৱে প্ৰদান কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীগৰাকীয়ে আন্তৰিকতাৰে মহাবিদ্যালয়ৰ প্ৰতিনিধি দলৰ সৈতে মত-বিনিময় কৰাৰ লগতে মহাবিদ্যালয়খনৰ শৈক্ষিক, গৱেষণা আৰু সামগ্ৰিক উন্নয়ন সম্পৰ্কে বিস্তৃতভাৱে বুজ লয়। সাক্ষাতৰ সময়ত মহাবিদ্যালয়খনৰ যোৱা এটা দশকৰ উন্নয়ন, প্ৰগতি আৰু অগ্ৰগতিক লৈ প্ৰকাশিত 'উত্তৰণ' শিৰোনামৰ বিশেষ গ্ৰন্থখন মুখ্যমন্ত্ৰীগৰাকীয়ে গভীৰ আগ্ৰহেৰে পৰ্যবেক্ষণ কৰি ইয়াক এক ব্যতিক্ৰমী আৰু মূল্যবান প্ৰকাশ বুলি অভিহিত কৰে। মন কৰিবলগীয়া যে মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত বিভিন্ন গ্ৰন্থ, চলিত বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত শ্ৰেষ্ঠ আলোচনী ৰূপে পুৰস্কৃত হোৱা 'কানৈয়ান' আৰু শেহতীয়াকৈ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ দ্বাৰা প্ৰকাশিত 'কেনেকৈ নিঃশেষ হয় এটা জাতি', 'চেতনাহীন জাতিৰ ভৱিষ্যৎ', 'সপোন কেনেকৈ দিঠক হয়' এই তিনিখন নতুন গ্ৰন্থ মুখ্যমন্ত্ৰীগৰাকীক উপহাৰ হিচাপে প্ৰদান কৰে। এই সাক্ষাতৰ সময়ত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক তথা অসমৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী আৰু শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীক অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ইয়াৰ পূৰ্বে ফুলাম গামোচা আৰু চেলেং চাদৰেৰে সম্ভাষণ জনায়। ■ **বানাক্ৰান্তৰ বাবে মুখ্যমন্ত্ৰীক আঢ়ৈ লাখৰ চে'ক অৰ্পণ বিধায়ক চক্ৰধৰ গগৈৰ ঃ ডিব্ৰুগড়ৰ ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত খোৱাং সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈৰ হৈ তেওঁৰ সহধৰ্মিণী তথা বিশিষ্ট সংগীত শিল্পী প্ৰহেলিকা শৰ্মা গগৈয়ে উজনি অসমৰ তিনিখন জিলাৰ শেহতীয়া বানত বিধ্বস্ত পৰিয়ালৰ সহায়ৰ বাবে কালি আঢ়ৈ লাখ টকাৰ চে'ক প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ সাহায্য পুঁজিৰ বাবে চে'ক গ্ৰহণ কৰি বানবিধ্বস্ত ৰাইজলৈ আগবঢ়োৱা সহায়ৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে আৰু সামৰ্থ্য অনুসৰি বানপীড়িত লোকৰ বাবে সকলোৰে সহযোগিতাৰ আহ্বান জনায়। ■ **মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১ লাখৰ চে'ক ৰাছেল টী কোম্পানীৰ ঃ ডিকমৰ** নিজা প্ৰতিবেদক ঃ উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, গোলাঘাট আৰু যোৰহাট এই চাৰিখন জিলাত শেহতীয়াকৈ ভয়ংকৰ বানপানীয়ে জনজীৱন সম্পূৰ্ণৰূপে বিপৰ্যস্ত কৰি তুলিছে। প্ৰলয়ংকৰী বানত সৰ্বস্বান্ত হোৱা জিলাকেইখনৰ দুৰ্গত পৰিয়ালসমূহক সহায়ৰ উদ্দেশ্যে ৰাছেল টী কোম্পানী ডিকমৰ চাহ শ্ৰমিক-কৰ্মচাৰীসকলে মুখ্যমন্ত্ৰী বান সাহায্য পুঁজিলৈ এক লাখ টকা আগবঢ়ায়। অসম সচিবালয় ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দেওবাৰে সাক্ষাৎ কৰি ডিকম চাহ কৰ্মচাৰী সংঘৰ সভাপতি অশোক বৰকটকী, সম্পাদক কিচুন মুণ্ডা, ডিকম চাহ শ্ৰমিক গোটৰ হৈ যোচেফ তপ্ন, ভগীৰথ মাহিলী, সুৰেশ পাটৰ, নেমচন পাটৰকে মুখ্য কৰি অসম পৰ্যটন নিগমৰ অধ্যক্ষ ৰিতুপৰ্ণ বৰুৱা, ডিকম গাঁও পঞ্চায়তৰ সভাপতি ৰঞ্জিত দত্তৰ উপস্থিতিত এক লাখ টকাৰ চে'ক প্ৰদান কৰে।



কত ব
ঙাৰ বি
গঁড়ৰ
ল
ৰক্ষি
ন কোনো ব
ৰণোজ পে
মাজত তীব্ৰ
লাখ টকা স
ৰ